**Sample question paper 2022--23**

**CLASS-XII**

**SUBJECT—ASSAMESE**

**SUBJECT CODE: 114**

**Time:3 hours Full marks:80**

**GENERAL INSTRUCTIONS**

**THERE ARE 4 SECTIONS.**

**EACH MCQ CARRY 1 MARK**

**PLEASE FOLLOW SPECIFIC INSTRUCTION FOR EACH QUESTIONS.**

**THERE WILL BE NO NEGATIVE MARKING.**

## SECTION—A (READING)

## (বোধ পৰীক্ষণ)

১। অনুচ্ছেদটো পঢ়ি নিম্নলিখিত প্ৰশ্নসমূহৰ উত্তৰ লিখা---

মহাভাৰতীয় সংস্কৃতিয়েই অসমীয়া সংস্কৃতিৰ পূৰ্বভাৰতীয় প্ৰকাশ। ভাৰতীয় সংস্কৃতিৰ মধ্যযুগীয় যি বিকাশ ,পূৰ্বভাৰতীয় সংস্কৃতিত প্ৰতিফলিত হৈছে, সেয়ে হৈছে অসমীয়া সংস্কৃতি। মহাপুৰুষ শংকৰদেৱেই এই অসমীয়া সংস্কৃতিৰ পূৰ্ণৰূপ দিওঁতা । ভাৰতীয় মধ্যযুগীয় সাংস্কৃতিক আন্দোলনে শংকৰ -প্ৰতিভাত যি প্ৰতিক্ৰিয়া কৰিছিল –তাৰেপৰাই ফুলে-পাতে বিকশি উঠিল অসমীয়া সংস্কৃতি ।

অসমীয়া সংস্কৃতিৰ বিষয়ে ক'বলৈ যোৱাৰ আগতে আমি প্ৰাক—শংকৰী যুগৰ সভ্যতা-সংস্কৃতিৰ বিষয়ে ক'ব লাগিব ।

অসম বুৰঞ্জীৰ আদিছোৱাত অসমত আমি আসুৰীয় সভ্যতা -সংস্কৃতিৰ প্ৰাদুৰ্ভাৱ দেখিবলৈ পাওঁ। সেইসময়ত যদিও অসমত আৰ্য-সভ্যতা-সংস্কৃতিৰ প্ৰভাৱ পৰাহি নাছিল, তথাপিও সেইসময়ৰ এই পূৰ্বভাৰতীয় সভ্যতা আৰু সংস্কৃতি আৰ্য-সভ্যতাৰ সমানেই উন্নত আছিল। আনকি কোনো কোনো ক্ষেত্ৰত বিশেষকৈ সুকুমাৰ কলাত সেই সময়ৰ অসমীয়া সংস্কৃতি ভাৰতৰ সকলো প্ৰদেশতেই উন্নত খাপৰ আছিল বুলিয়েই পুৰাণে-ভাৰতে পোৱা যায়। আজি যাক আমি অসমীয়া ভাষা-সংস্কৃতি বোলোঁ,এই ভাষা-সংস্কৃতিয়ে অসমীয়া হিচাপে গঢ় লয় শংকৰীযুগৰ সম্ভৱতঃ ২০০ বছৰ মানৰ আগৰ পৰা । তাৰ আগছোৱাত ( অসমৰ অসম নাম হোৱাৰ আগতে ) অসমৰ নাম আছিল কামৰূপ ।এই কামৰূপৰ সভ্যতা -সংস্কৃতিত আৰ্য -সভ্যতা-সংস্কৃতিৰ প্ৰাধান্য বেছি।আৰু পৰৱৰ্তী অসমীয়া সভ্যতা-সংস্কৃতি ইয়াৰ ওপৰতেই প্ৰতিষ্ঠিত ।কামৰূপ হোৱাৰ আগতে এই পূৰ্ব ভাৰত খণ্ডৰ নাম আছিল প্ৰাগজ্যোতিষ। প্ৰাগজ্যোতিষত যদিও আসুৰী সভ্যতা -সংস্কৃতিৰ প্ৰভাৱ ইয়াত পৰিবলৈ ভালকৈয়ে আৰম্ভ

কৰিছিল ।সেই সময়ত প্ৰাগজ্যোতিষপুৰৰ সভ্যতা-সংস্কৃতিযে মধ্যভাৰতীয় ,পশ্চিম ভাৰতীয় আৰু দক্ষিণ ভাৰতীয় সভ্যতা-সংস্কৃতিতকৈ উন্নত আছিল তাক সুকুমাৰ কলাৰ ফালৰ পৰা চালে প্ৰমাণ পোৱা যায় ।ভাৰতীয় সুকুমাৰ কলাৰ ইতিহাস লিখোতে আৰু সেই বিষয়ে জগৎ বিখ্যাত পণ্ডিত ডক্টৰ আনন্দ কুমাৰ স্বামীয়ে তেখেতৰ ‘ History of Indian Fine Artsত লিখিছে’Chitralekha is the earliest known painter in Indian history.’ ভাৰতীয় ইতিহাসে জনাৰ ভিতৰত চিত্ৰলেখাই হৈছে আদি আলেখ্য শিল্পী।

i) অসমীয়া সংস্কৃতি বুলিলে কি বুজা? 2

ii) মহাপুৰুষ শংকৰ দেৱে অসমীয়া সংস্কৃতিত কেনে প্ৰভাৱ পেলাইছিল ? 2

iii) অসমীয়া সংস্কৃতি সম্পৰ্কে পুৰাণে-ভাৰতে কি উল্লেখ আছে? 2

iv) কামৰূপৰ সভ্যতা-সংস্কৃতিৰ বিষয়ে চমুকৈ লিখা। 2

v) প্ৰাগজ্যোতিষপুৰ সম্পৰ্কে এটি টোকা লিখা? 2

vi) ভাৰতীয় সুকুমাৰ কলাৰ ইতিহাস লিখোতে ডক্টৰ আনন্দ কুমাৰ স্বামীয়ে কি কথা উল্লেখ কৰিছে?2

vii) সন্ধি ভাঙা—সংস্কৃতি= 1

ক) সং+ কৃতি

খ) স্ং +স্কৃতি

গ) সম + কৃতি

ঘ) সম্ + কৃতি

viii) উপসৰ্গ বাচি উলিয়াই লিখা---প্ৰতিষ্ঠিত 1

ক) প
খ) প্ৰ
গ) প্ৰতি
ঘ) পৰি

ix) বিপৰীতাৰ্থক শব্দ লিখা-উন্নত1

ক) বিন্নত
খ) কুন্নত

গ) অনুন্নত

ঘ) সুন্নত

**SECTION-B (WRITING)**

**(লিখন কলা)**

2. ক) তলত দিয়া সাংকেতিক বাক্যকেইটাৰ সহায় লৈ গল্পটো সম্পূৰ্ণকৈ লিখা ।(গল্পটোৰ এটা শিৰোনাম আৰু নীতিশিক্ষা লিখিব লাগিব ।) 5

অৰণ্যৰ মাজেৰে পুৰোহিতে ছাগলী এটা কান্ধত লৈ গৈছে-----তিনিটা ধূৰ্তই দেখিলে----প্ৰথমটোৱে ক'লে --'' এইটো কুকুৰ ''--- পুৰোহিত আগবাঢ়ি গৈ থাকিল-- দ্বিতীয়টোৱেও ক'লে ''এইটো কুকুৰ ''-----পুৰোহিত গৈ থাকিল---তৃতীয়টোৱেও ক'লে—'' সেইটো কুকুৰ ''---পুৰোহিতে আগবাঢ়ি গৈ থাকিল----গন্তব্যস্থান পালে-----

নাইবা,

খ) তলত দিয়া যিকোনো এখন ৰচনা লিখা---- 5

i) নাগৰিকৰ দায়িত্ব আৰু কৰ্তব্য ii মহাপুৰুষ শ্ৰীমন্ত শংকৰ দেৱ

3.তোমাৰ বিদ্যালয়ে আয়োজন কৰা গ্ৰন্থমেলা খনৰ বিষয়ে জনাই বাতৰিকাকতত প্ৰকাশৰ বাবে এখন প্ৰতিবেদন যুগুত কৰা । 5

4 তলত দিয়া যিকোনো এটা ফকৰা-যোজনা বুজাই লিখা---
5

ক) হস্তীৰো পিচলে পাৱ সজ্জনৰো বুৰে নাও

খ) বুঢ়াৰ কথা নুশুন ডেকা, টানত পৰি কিয় কেঁকা

5.ভাব সম্প্ৰসাৰণ কৰা--(যিকোনো এটা ) 5

ক) মাতৃভাষাৰ উন্নতি সাধন হ'লে সভ্যতা আৰু সংস্কৃতিৰ উন্নতি সাধন হ'ব।

খ) প্ৰণালীবদ্ধ শ্ৰমৰ আগত কোনো কামেই অসাধ্য নহয় ।

6, তলত দিয়া খণ্ডবাক্যৰ শুদ্ধ অৰ্থটো লিখা-1x5 =5

ক)অথাই সাগৰ--

i) নিমাখিত

ii) ডাঙৰ বিপদ

iii) অবুজন

iv)চহকী

খ) আমন-জিমন--

i) মন মাৰি

ii) অতি মৰমৰ

iii) পৰিপাটি

iv) ক্ষীণ

গ) উলহ-মালহ--

i) সামান্য

ii) খৰিয়াল

iii) সৰু

iv অতিশয় আনন্দ

ঘ) খামি ডাঠ --

i) সাহসী

ii) দুৰ্গতি

iii) উদ্ধত

iv)কম বেছি

ঙ) ঘুনুক-ঘানাক --

i) অহংকাৰ

ii) খৰতকীয়া

iii) অলপকৈ শুনা

iv)ঘোৰ অন্ধকাৰ

## SECTION-C (GRAMMAR)

## (ব্যাকৰণ)

7. তলত দিয়া সম্মোচাৰিত শব্দকেইটাৰ শুদ্ধ অৰ্থ বাছি উলিয়াই লিখা— 1x4=4

ক) চুটি--

i) চাকি

ii) বিদায়

iii) চাপৰ

iv) শব্দ

খ) ছুটি --

i) আলয়

ii) চাপৰ

iii) ধৰা

iv) বিদায়

গ) দিন--

i) **শূন্য**

ii) সময়

iii)দুখীয়া

iv) বহ্নি

ঘ) দীন --

i)ব্যাখ্যা

ii) দুখীয়া

iii) বিধি

iv) সময়

৪.তলত দিয়া শব্দবোৰৰ বিপৰীতাৰ্থক শব্দ বাছি উলিয়াই লিখা --- 1x4=4

ক) সজীৱ --

i) দুৰ্গন্ধ

ii) বিপদজনক

iii)নিৰ্জীৱ

iv) নিৰাশা

খ) সৃষ্টি---

i) অসৃষ্টি

ii) প্ৰলয়

iii) ধ্বংস

iv) দুৰ্গম

গ) চোকা--

i) ভোতা

ii) অপৰিমিত

iii) নিদ্ৰা

iv) বিসৰ্জন

ঘ) প্ৰকৃত--

i) সঁচা

ii) ঠেক

iii) কাল্পনিক

iv)দানৰ

9 তলত দিয়া নিয়মসমূহৰ অন্তৰ্গত নিৰ্দিষ্ট শব্দবোৰ বাছি উলিয়াই লিখা--
1x4=4

ক) সু আৰু বি উপসৰ্গৰ পিছত থকা 'সম' শব্দৰ দন্ত্য স মূৰ্দ্ধন্য ষ হয়।

i) বিষাণ

ii) সুনাম

iii) বিষম

iv) বিশেষ

খ) প্ৰত্যয় যোগ হলে হবিস্ আৰু চাক্ষুস্ শব্দৰ দন্ত্য স মূৰ্দ্ধন্য ষ হয়।

i) শ্ৰীচৰণেষু

ii) ঘৰ্ষণ

iii) হৰ্ষ

iv) চাক্ষুষ

গ) অ আ ভিন্ন স্বৰবৰ্ণ বা ক বা ৰ- ৰ পাছত থকা প্ৰত্যয়ৰ দন্ত্য স মূৰ্দ্ধন্য ষ হয়।

i)কষ্ট

ii) ভৱিষ্যৎ

iii)সুষম

iv)দোষ

ঘ) কিছুমান শব্দ স্বাভাৱিকতে মূৰ্দ্ধন্য ষ হয়।

i) ৰোষ

ii) অভিলাষ

iii) নিষাদ

iv) মিষ্ট

10. শুদ্ধ উত্তৰ বাছি উলিয়াই লিখা---- 1 x 4=4

ক) তেঁও যে এজন ভাল শিল্পী মই আগতে নাজানিছিলো।

i) সৰলবাক্য

ii) যৌগিকবাক্য

iii) জটিলবাক্য

iv) ভাৱবোধক বাক্য

খ) আমি ৰাতিপুৱা খোজকাঢ়িবলৈ যাম ।

i)যৌগিক বাক্য

ii) জটিল বাক্য

iii) সৰল বাক্য

iv) মিশ্র বক্য

গ) তুমি আহিবা আৰু মই যাম।

i) জটিল বাক্য

ii) যৌগিক বাক্য

iii) সৰল বাক্য

iv) মিশ্র বাক্য

ঘ) তুমি মনত যি আশা কৰিছা সেয়া সফল হ'ব।

i) সৰল বাক্য

ii) জটিল বাক্য

iii) যৌগিক বাক্য

iv) প্রশ্নবোধক বাক্য

11. বিপৰীত লিংগ বাছি উলিয়াই লিখা--- 1x4=4

ক) তনু--

i) তনী

ii) তন্বী

iii) তনিনী

iv) তন্‌ভী

খ) ধোবা--

i) ধোবানী

ii)ধোবোনী

iii) ধুবুনী

iv) ধুবী

গ) বাঘ--

i) বাঘনী

ii) বাঘিনী

iii) বাঘীনী

iv)বাঘী

ঘ) সেৱক--

i)  সেৱকা

ii) সেৱিকা

iii) সেৱী

iv)  সেৱীকা

**SECTION-D**

**(গদ্য ভাগ)**

12.তলত দিয়া প্ৰশ্নসমূহৰ   শুদ্ধ   উত্তৰ বাছি উলিয়াই লিখা---   1x4=4

ক) আনন্দৰাম বৰুৱাই কোনখন গ্ৰন্থত কামৰূপৰ ভাওনাৰ কথা উল্লেখ কৰিছে?

i) ভক্তি বিবেক

ii) মহাবীৰ চৰিত

iii) কথাগুৰু চৰিত

iv) ধৰ্মপদ

খ) সম্বলপুৰ ভাৰতৰ কোনখন ৰাজ্যত অৱস্থিত?

i) অসমত

ii) বিহাৰত

iii) উৰিষ্যাত

iv) কেৰেলত

গ ) শীলভদ্ৰ কোন যুগৰ চুটিগল্প লিখক ?

i)বাঁহী

ii) আৱাহন

iii) ৰামধেনু

iv) চানেকি

ঘ) লক্ষ্মীনাথ বেজবৰুৱাই ৰচনা কৰা বুৰঞ্জীমূলক নাট এখনৰ নাম হ'ল---

i) জুনুকা

ii) লিতিকাই

iii) জয়মতী কুঁৱৰী

iv) সুৰভি

13. তলত দিয়া যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখা--- 2

ক) '' মোৰ মাতৃমুখ দৰ্শন'' শীৰ্ষক পাঠটিৰ নামকৰণৰ তাৎপৰ্য বিশ্লেষণ কৰা।

খ) ভূদেৱ চৌধুৰীয়ে প্ৰশান্ত শৰ্মালৈকিয় চিঠি লিখিছিল?

14. প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰা---(যিকোনো এটা )
4

ক) কৰ্মই জীৱন আৰু কৰ্মহীনতাই প্ৰকৃত মৃত্যুস্বৰূপ ।

খ) মহাপুৰুষসকলৰ পদাংক অনুসৰণ কৰি প্ৰত্যেক মানুহে নিজক উন্নতিৰ পথেৰে পৰিচালিত কৰিব পাৰে ।

( পদ্য ভাগ )

15.প্ৰশ্নসমূহৰ শুদ্ধ উত্তৰ বাচি উলিয়াই লিখা-1x4=4

ক) মহাপুৰুষ মাধৱদেৱে কিমান বৰগীত ৰচনা কৰিছিল?

i) ২৪০টা

ii) ১৫৭ টা

iii) ২০০ টা

iv) ১২০টা

খ) মাধৱদেৱে কোনখন পুথি ৰচনা কৰিছিল ?

i) ৰাজসূয় কাব্য

ii) মধুপুৰ

iii) ভটিমা

iv)  পুৰাণ

গ)  জ্যোতিপ্ৰসাদ আগৰৱালাই কোনখন নাটকৰ জৰিয়তে আত্মপ্ৰকাশ কৰে?

i)   নিমাতি কইনা

ii) খনিকৰ

iii)শোণিতকুঁৱৰী

iv) কনকলতা

ঘ) কেশৱ মহন্তই শিশুৰ বাবে ৰচনা কৰা পুথিখনৰ নাম কি?

i) আগন্তুক

ii) ওমলা ঘৰ

iii) ৰ'দ জিকিমিকি

iv)  আমাৰ পৃথিৱী

16. তলত দিয়া যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখা—,2

ক) 'উৰুলি' আৰু 'ৰাগি' শব্দদুটাৰ অৰ্থ লিখা।

খ) ''যাচিবি কিহৰে ষোড়শোপচাৰ '' শব্দই কি বুজাইছে?

17.  প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰা— যিকোনো এছোঁৱা )
4

ক) আজি জনতাৰ আলোকবিজয়ী

অপূৰ্ব অভিযান

আজি পৃথিৱীৰ আকাশে আকাশে

জনতাৰ আহ্বান,

খ) সিদ্ধ মুনিগণে       চিন্তিয়া নপাৱে

সো হৰি যশোৱা কোলে।

ত্ৰিজগত পতি ভকতি মিলিল

মূৰুখ মাধৱে বোলে ।।

MARKING SCHEME

**Sample paper 2022 --23**

**CLASS-XII**

**SUBJECT—ASSAMESE**

**SUBJECT CODE,:114**

**TIME:3HOURS MARK:80**

**SECTION—A (READING)**

**(বোধ পৰীক্ষণ)**

১। অনুচ্ছেদটো পঢ়ি নিম্নলিখিত প্ৰশ্নসমূহৰ উত্তৰ লিখা---

i) মহাভাৰতীয় সংস্কৃতিয়েই অসমীয়া সংস্কৃতিৰ পূৰ্বভাৰতীয় প্ৰকাশ । ভাৰতীয় সংস্কৃতিৰ মধ্যযুগীয় যি বিকাশ ,পূৰ্বভাৰতীয় সংস্কৃতিত প্ৰতিফলিত হৈছে, সেয়ে হৈছে অসমীয়া সংস্কৃতি. 2

ii) মহাপুৰুষ শংকৰদেৱেই এই অসমীয়া সংস্কৃতিৰ পূৰ্ণৰূপ দিওঁতা । ভাৰতীয় মধ্যযুগীয় সাংস্কৃতিক আন্দোলনে শংকৰ -প্ৰতিভাত যি প্ৰতিক্ৰিয়া কৰিছিল –তাৰেপৰাই ফুলে- পাতে বিকশি উঠিল অসমীয়া সংস্কৃতি । 2

iii)সেইসময়ত যদিও অসমত আৰ্য-সভ্যতা-সংস্কৃতিৰ প্ৰভাৱ পৰাহি নাছিল, তথাপিও সেইসময়ৰ এই পূৰ্বভাৰতীয় সভ্যতা আৰু সংস্কৃতি আৰ্য-সভ্যতাৰ সমানেই উন্নত আছিল। আনকি কোনো কোনো ক্ষেত্ৰত বিশেষকৈ সুকুমাৰ কলাত সেই সময়ৰ অসমীয়া সংস্কৃতি ভাৰতৰ সকলো প্ৰদেশতেই উন্নত খাপৰ আছিল বুলিয়েই পুৰাণে-ভাৰতে পোৱা যায়। 2

iv)আজি যাক আমি অসমীয়া ভাষা-সংস্কৃতি বোলোঁ,এই ভাষা-সংস্কৃতিয়ে অসমীয়া হিচাপে গঢ় লয় শংকৰীযুগৰ সম্ভৱতঃ ২০০ বছৰ মানৰ আগৰ পৰা । তাৰ আগছোৱাত ( অসমৰ অসম নাম হোৱাৰ আগতে ) অসমৰ নাম আছিল কামৰূপ ।এই কামৰূপৰ সভ্যতা -সংস্কৃতিত আৰ্য -সভ্যতা-সংস্কৃতিৰ প্ৰাধান্য বেছি।আৰু পৰৱৰ্তী অসমীয়া সভ্যতা-সংস্কৃতি ইয়াৰ ওপৰতেই প্ৰতিষ্ঠিত । 2

v)কামৰূপ হোৱাৰ আগতে এই পূৰ্ব ভাৰত খণ্ডৰ নাম আছিল প্ৰাগজ্যোতিষ। প্ৰাগজ্যোতিষত যদিও আসুৰী সভ্যতা -সংস্কৃতিৰ প্ৰভাৱ ইয়াত পৰিবলৈ ভালকৈয়ে আৰম্ভ কৰিছিল ।সেই সময়ত প্ৰাগজ্যোতিষপুৰৰ সভ্যতা-সংস্কৃতিযে মধ্যভাৰতীয় পশ্চিম ভাৰতীয় আৰু দক্ষিণ ভাৰতীয় সভ্যতা-সংস্কৃতিতকৈ উন্নত আছিল তাক সুকুমাৰ কলাৰ ফালৰ পৰা চালে প্ৰমাণ পোৱা যায় । 2

vi)ভাৰতীয় সুকুমাৰ কলাৰ ইতিহাস লিখোতে আৰু সেই বিষয়ে জগৎ বিখ্যাত পণ্ডিত ডক্টৰ আনন্দ কুমাৰ স্বামীয়ে তেখেতৰ ‘History of Indian Fine Artsত লিখিছে’Chitralekha is the

earliest known painter in Indian history.’ ভাৰতীয় ইতিহাসে জনাৰ ভিতৰত চিত্ৰলেখাই হৈছে আদি আলেখ্য শিল্পী।

vii) সন্ধি ভাঙা—সংস্কৃতি=

ঘ) সম্ + কৃতি

viii) উপসৰ্গ বাচি উলিয়াই লিখা--- প্ৰতিষ্ঠিত 1

গ) প্ৰতি

ix)বিপৰীতাৰ্থক শব্দ লিখা—উন্নত

গ) অনুন্নত

পাঠ্যপুথি; ৰচনা বিচিত্ৰা

## SECTION-B (WRITING)

## (লিখন কলা)

2. ক) সাংকেতিক বাক্যকেইটাৰ সহায় লৈহে গল্পটো সম্পূৰ্ণকৈ লিখিব ।গল্পটোৰ এটা শিৰোনাম আৰু নীতিশিক্ষা লিখিব লাগিব। শিৰোনামৰ বাবে 1 নম্বৰ আৰু নীতিশিক্ষাৰ বাবে 1 নম্বৰকৈ দিয়া হ’ব । (1+3+1=5) 5

নাইবা,

খ) ছাত্ৰ-ছাত্ৰীয়ে যিকোনো এখন ৰচনা লিখিব । ৰচনাখনত মূল বিষয়টোক উপস্থাপন কৰিলেই নম্বৰ দিয়া হ’ব । 5

3. প্ৰতিবেদনখনত বিয়ষ , তাৰিখ,স্থান ,সংবাদদাতাৰ কথা উল্লেখ কৰি ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিবেদন খন সম্পূৰ্ণ কৰিলে নম্বৰ পাব ।। 5

4 তলত দিয়া যিকোনো এটা ফকৰা-যোজনা বুজাই লিখিলে নম্বৰ দিয়া হ’ব । 5

ক) হস্তীৰো পিচলে পাৱ সজ্জনৰো বুৰে নাও (নং-৪২ pg-১৪১)

খ) বুঢ়াৰ কথা নুশুন ডেকা, টানত পৰি কিয় কেঁকা (নং-৪৬ pg-১৪২)

5.ভাব সম্প্ৰসাৰণ কৰা--যিকোনো এটাৰ ভাব বুজাই লিখিলে নম্বৰ দিয়া হ’ব। 5

ক) মাতৃভাষাৰ উন্নতি সাধন হ’লে সভ্যতা আৰু সংস্কৃতিৰ উন্নতি সাধন হ’ব।

খ) প্ৰণালীবদ্ধ শ্ৰমৰ আগত কোনো কামেই অসাধ্য নহয় ।

6, তলত দিয়া খণ্ডবাক্যৰ শুদ্ধ অৰ্থটো লিখা----
1x5=5

ক) অথাই সাগৰ== ii) ডাঙৰ বিপদ (pg ১১৮)

খ) আমন-জিমন== i) মন মাৰি (pg ১১৯)

গ) উলহ-মালহ== iv) অতিশয় আনন্দ (pg ১২০)

ঘ) খামি ডাঠ == i) সাহসী (pg ১২১)

ঙ) ঘুনুক-ঘানাক== iii) অলপকৈ শুনা (pg ১২ )

## SECTION-C (GRAMMAR)

## (ব্যাকৰণ)

7. তলত দিয়া সম্মোচাৰিত শব্দকেইটাৰ শুদ্ধ অৰ্থ বাছি উলিয়াই লিখা— 1x4=4

ক) চুটি= iii) চাপৰ (pg-৭0)

খ) ছুটী = iv) বিদায় (pg-৭0)

গ) দিন= ii) সময়ৰ ভাগ (pg-৭০)

ঘ) দীন= ii) দুখীয়া (pg-৭0)

8.তলত দিয়া শব্দবোৰৰ বিপৰীতাৰ্থক শব্দ বাছি উলিয়াই লিখা ---
1x4=4

ক) সজীৱ = iii) নিৰ্জীৱ (pg-৭৮)

খ) সৃষ্টি= ii) প্ৰলয় (pg-৭৮)

গ) চোকা= i) ভোতা (pg-৭৮)

ঘ) প্ৰকৃত= iii) কাল্পনিক (pg-৭৮)

9 তলত দিয়া নিয়মসমূহৰ অন্তৰ্গত নিৰ্দিষ্ট শব্দবোৰ বাছি উলিয়াই লিখা-- 1x4=4

ক) সু আৰু বি উপসৰ্গৰ পিছত থকা 'সম' শব্দৰ দন্ত্য স মূৰ্দ্ধন্য ষ হয়।

iii) বিষম (pg-১৫)

খ) প্ৰত্যয় যোগ হলে হবিস্ আৰু চাক্ষুস্ শব্দৰ দন্ত্য স মূৰ্দ্ধন্য ষ হয়।

iv) চাক্ষুষ( pg-১৫)

গ) অ আ ভিন্ন স্বৰবৰ্ণ বা ক বা ৰ- ৰ পাছত থকা প্ৰত্যয়ৰ দন্ত্য স মূৰ্দ্ধন্য ষ হয়।

ii) ভৱিষ্যৎ (pg-১৫)

ঘ) কিছুমান শব্দ স্বাভাৱিকতে মূৰ্দ্ধন্য ষ হয়।

i) ৰোষ (pg-১৫)

10. শুদ্ধ উত্তৰ বাছি উলিয়াই লিখা---- 1x4=4

ক) তেঁও যে এজন ভাল শিল্পী মই আগতে নাজানিছিলো।

iii) জটিলবাক্য

খ) আমি ৰাতিপুৱা খোজকাঢ়িবলৈ যাম ।

iii) সৰল বাক্য

গ) তুমি আহিবা আৰু মই যাম।

ii) যৌগিক বাক্য

ঘ) তুমি মনত যি আশা কৰিছা সেয়া সফল হ'ব।

ii) জটিল বাক্য

11. বিপৰীত লিংগ বাছি উলিয়াই লিখা--- 1x4=4

ক) তনু= ii) তন্বী ( pg-৪৭ )

খ) ধোবা= iii) ধুবুনী (pg-৪৬)

গ) বাঘ= ii) বাঘিনী ( pg-৪৬)

ঘ) সেৱক= ii) সেৱিকা ( pg-৪৭)

**SECTION-D**

**(গদ্য ভাগ)**

**পাঠ্যপুথি ;-সাহিত্য সৌৰভ**

12.তলত দিয়া প্ৰশ্নসমূহৰ শুদ্ধ উত্তৰ বাছি উলিয়াই লিখা--- 1x4=4

ক) আনন্দৰাম বৰুৱাই কোনখন গ্ৰন্থত কামৰূপৰ ভাওনাৰ কথা উল্লেখ কৰিছে?

ii) মহাবীৰ চৰিত ( pg-৩৪)

খ) সম্বলপুৰ ভাৰতৰ কোনখন ৰাজ্যত অৱস্থিত?

iii) উৰিষ্যাত (pg-0৫)

গ) শীলভদ্ৰ কোন যুগৰ চুটিগল্প লিখক?

iii) ৰামধেনু (pg-৬১)

ঘ) লক্ষ্মীনাথ বেজবৰুৱাই ৰচনা কৰা বুৰঞ্জীমূলক নাট এখনৰ নাম হ'ল--

iii) জয়মতী কুঁৱৰী (pg-0২)

13. তলত দিয়া যিকোনো এটা প্ৰশ্নৰ উত্তৰ পাঠৰ লগত সংগতি ৰাখি লিখিব----- 2

ক) '' মোৰ মাতৃমুখ দৰ্শন'' শীৰ্ষক পাঠটিৰ নামকৰণৰ তাৎপৰ্য বিশ্লেষণ কৰা।

খ) ভূদেৱ চৌধুৰীয়ে প্ৰশান্ত শৰ্মালৈ কিয় চিঠি লিখিছিল?

14. প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰা—যিকোনো এটা ব্যাখ্যা প্ৰসংগ সংগতি সহ লিখিব । 4

ক) কৰ্মই জীৱন আৰু কৰ্মহীনতাই প্ৰকৃত মৃত্যুস্বৰূপ ।

খ) মহাপুৰুষসকলৰ পদাংক অনুসৰণ কৰি প্ৰত্যেক মানুহে নিজক উন্নতিৰ পথেৰে পৰিচালিত কৰিব পাৰে ।

**(পদ্য ভাগ)**

15. প্ৰশ্নসমূহৰ শুদ্ধ উত্তৰ বাছি উলিয়াই লিখা---
1x4=4

ক) মহাপুৰুষ মাধৱদেৱে কিমান বৰগীত ৰচনা কৰিছিল?

ii) ১৫৭ টা (pg ৯৬)

খ) মাধৱদেৱে কোনখন পুথি ৰচনা কৰিছিল?

i) ৰাজসূয় কাব্য (pg ৯৬)

গ) জ্যোতিপ্ৰসাদ আগৰৱালাই কোনখন নাটকৰ জৰিয়তে আত্মপ্ৰকাশ কৰে?

iii)শোণিতকুঁৱৰী (pg ১১৩)

ঘ) কেশৱ মহন্তই শিশুৰ বাবে ৰচনা কৰা পুথিখনৰ নাম কি?

ii) ওমলা ঘৰ (pg ১২৬)

16. তলত দিয়া যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখিব— 2

ক) 'উৰুলি' আৰু 'ৰাগি' শব্দদুটাৰ অৰ্থ লিখা। (pg-১২৮,১২৯)

খ) ''যাচিবি কিহৰে ষোড়শোপচাৰ '' শব্দই কি বুজাইছে? (pg -১১৫)

17. প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰা— তলত দিয়া যিকোনো এছোঁৱা ব্যাখ্যা কৰিব। 4

ক) আজি জনতাৰ আলোকবিজয়ী

অপূৰ্ব অভিযান

আজি পৃথিৱীৰ আকাশে আকাশে

জনতাৰ আহ্বান,

খ) সিদ্ধ মুনিগণে চিন্তিয়া নপাৱে

সো হৰি যশোৱা কোলে।

ত্ৰিজগত পতি ভকতি মিলিল

মূৰুখ মাধৱে বোলে ।।

---